জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

নং ঃ ৮৮/২০২২

# বিশিষ্ট চিন্তাবিদ শংকৰ দাসৰ 'মৃত্যুঞ্জয় ভাৰত' গ্ৰন্থ উন্মোচন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ

## 'মৃত্যুঞ্জয় ভাৰত' হৈছে ৫০০০ বছৰীয়া ভাৰতীয় সভ্যতাৰ অনাৱিস্কৃত মাধূৰ্যৰ এক মনোৰম বিশ্লেষণ ঃ মুখ্যমন্ত্ৰী

### পাঁচগৰাকী বিশিষ্ট ব্যক্তিলৈ দৈনন্দিন বাৰ্তা গোষ্ঠীয়ে আগবঢ়োৱা বঁটা প্ৰদান আৰু সম্বৰ্ধনা জ্ঞাপন মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ১৭ মাৰ্চ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত 'আলোক প্ৰভঞ্জন ৰেলফেয়াৰ ছচাইটী'ৰ উদ্যোগত আয়োজিত এক অনুষ্ঠানত বিশিষ্ট সমাজকৰ্মী শংকৰ দাসৰ 'মৃত্যুঞ্জয় ভাৰত' নামৰ এখন গ্ৰন্থ আনুষ্ঠানিকভাৱে উন্মোচন কৰে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ সমাজ-জীৱনৰ পাঁচগৰাকী বিশিষ্ট ব্যক্তি ক্ৰমে স্বনামধন্য কণ্ঠশিল্পী, সংগীতজ্ঞ সুদক্ষিণা শৰ্মা, অৰণ্য মানৱ, পদ্মশ্ৰী যাদৱ পায়েং, জ্যেষ্ঠ সাংবাদিক ভবেন ঘিমিৰে, বিশিষ্ট ব্যৱসায়ী পৱন আগৰৱালা আৰু যুৱ উদ্যোগী ৰৱি চৌধুৰীলৈ দৈনন্দিন বাৰ্তা গোষ্ঠীয়ে আগবঢ়োৱা ২০২২ বৰ্ষৰ বঁটাসমূহ প্ৰদান কৰাৰ লগতে বটাপ্ৰাপকসকলক সম্বৰ্ধনাও জ্ঞাপন কৰে।

উল্লেখযোগ্য যে 'মৃত্যুঞ্জয় ভাৰত' গ্ৰন্থত লেখক শংকৰ দাসে প্ৰাচীন ভাৰতীয় সাহিত্য, সংস্কৃতি, জ্ঞান-বিজ্ঞান পৰম্পৰা, শিল্প-ভাস্কৰ্য আদিৰ আধুনিক বৈজ্ঞানিক প্ৰেক্ষাপটত বিশ্লেষণ কৰাৰ প্ৰয়াস কৰিছে।

গ্ৰন্থখনি উন্মোচন কৰি প্ৰদান কৰা বক্তব্যত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে 'মৃত্যুঞ্জয় ভাৰত' হৈছে ৫০০০ বছৰীয়া ভাৰতীয় সভ্যতাৰ অনাৱিস্কৃত মাধূৰ্যৰ এক মনোৰম বিশ্লেষণ। এই গ্ৰন্থই আমাক নিজৰ গৌৰৱময় অতীতলৈ ঘূৰি চাই নিজকে ন-ৰূপত আৱিস্কাৰ কৰাৰ সুযোগ প্ৰদান কৰাৰ লগতে আত্মবিশ্লেষণৰো অৱকাশ দিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে পশ্চিমীয়া সংস্কৃতিৰ ভাল-বেয়া সকলো দিশকে চকু মুদি আকোঁৱালি লৈ নিজৰ একো নাই বুলি হীনমন্যতাত ভোগা আমাৰ নতুন প্ৰজন্মকো গ্ৰন্থখনিয়ে বহুতো কথা নতুনকৈ বিশ্লেষণ কৰিবলৈ বাধ্য কৰাব।

ড° শৰ্মাই কয় যে 'মৃত্যুঞ্জয় ভাৰত'ৰ দৰে এখন সময়োপযোগী আৰু মূল্যবান গ্ৰন্থ প্ৰণয়ন কৰি বিশিষ্ট চিন্তাবিদ শংকৰ দাসে এক মহান জাতীয় দায়িত্ব পালন কৰিলে। এই কষ্টকৰ, বিৰল আৰু সাহসী প্ৰয়াসৰ বাবে তেওঁ গ্ৰন্থকাৰৰ প্ৰতি ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে গ্ৰন্থখনি আদৰি লবলৈ

সকলোৰে প্ৰতি আহ্বান জনায়। তেওঁ লগতে কয় যে মাথোঁ অসমৰে নহয়, ভাৰতীয় হিচাপে গৰ্বিত দেশৰ প্ৰতিগৰাকী নাগৰিকৰ ঘৰে ঘৰে এই গ্ৰন্থই স্থান পোৱা উচিত। অদূৰ ভৱিষ্যতে সেয়েহে দেশৰ অন্যান্য ভাষাসমূহলৈও এই গ্ৰন্থ অনুবাদৰ পদক্ষেপ নিশ্চিতভাৱে গ্ৰহণ কৰা হব বুলি তেওঁ আশা প্ৰকাশ কৰে।

আলোক প্ৰভঞ্জন, দৈনন্দিন বাৰ্তা তথা আছাম ৰাইজিং সংবাদ গোষ্ঠীৰ প্ৰতিষ্ঠাপক শংকৰ গোহাঞিয়ে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ অনুষ্ঠানত বিশিষ্ট চিন্তাবিদ, সমাজকৰ্মী, লেখক শংকৰ দাসেও 'মৃত্যুঞ্জয় ভাৰত' গ্ৰন্থ ৰচনাৰ আঁৰৰ কথা অৱগত কৰাৰ লগতে ভাৰতীয় সভ্যতা-সংস্কৃতি সন্দৰ্ভত এক সাৰগৰ্ভ ভাষণ প্ৰদান কৰে। অনুষ্ঠানত বিধায়ক তৰংগ গগৈৰ লগতে অন্যান্য বহুসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**

**১৭-০৩-২০২২**